জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.janambhumi.in // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

শ বছৰ, সংখ্যা ২৭২ ● শনিবাৰ ● ৮ আহাৰ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Saturday June 24, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প

আঞ্চলিক

## ত ৰোগী চোৱাৰ
## ৰ কক্ষৰ অভাৱ

ৰু ছ'ন'গ্ৰাফীৰ দৰে পৰীক্ষাসমূহ পৰিছে বুলিও অভিযোগ উত্থাপিত যোগ অনুসৰি, ডুমডুমা এফ আৰ ৰ' আৰু ছ'ন'গ্ৰাফী কৰাৰ 'কোটা' বন্ধ কৰি দিয়ে। চিকিৎসালয়খনত ক ৰোগীৰহে এনে পৰীক্ষা কৰে, মানেই জৰুৰী নহওক কিয়। চৰকাৰী চিকিৎসালয়ত লাভ সুবিধা লাভ নকৰাত ক্ষুব্ধ হৈ গীৰ দাবী— 'যদিহে কৰ্মচাৰী নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰক। যদিহে মেচিন বেয়া, চৰকাৰে াৰ ব্যৱস্থা গ্ৰহণ কৰক। মুঠতে কাৰী চিকিৎসালয়ত দিব লগা প্ৰদান কৰক।' অন্যহাতে, চৰকাৰী চিকিৎসালয়খনৰ বহু কৰ্মচাৰীয়ে বছৰ বছৰ ধৰি একে স্থানতে কৰ্ম সম্পাদন কৰি থকাৰ বাবে দুৰ্নীতিৰ পোহাৰ মেলাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জন্ম-মৃত্যু পঞ্জীয়নৰ পৰা আৰম্ভ কৰি ৰোগীক পৰীক্ষা কৰোৱাৰ নামত, ৰোগীক চৰকাৰী চিকিৎসালয়ৰ সুবিধাসমূহ প্ৰদান কৰাৰ নামতো কোৰোনাৰে ধন লুণ্ঠন চলাই অহাৰো বিভিন্ন সময়ত অভিযোগ উত্থাপিত হৈ আহিছে। তিনিচুকীয়া জিলাৰ ডুমডুমা অঞ্চলৰ চিকিৎসাৰ প্ৰাণকেন্দ্ৰ তথা দৰিদ্ৰ ৰোগীৰ ভৰসাৰ স্থল ডুমডুমা এফ আৰ ইউত শীঘ্ৰে আন্তঃগাঁথনি উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে কৰ্মচাৰী-নাৰ্ছ নিযুক্তি দি জনবল বৃদ্ধি কৰিবলৈ ৰাইজে দাবী জনাইছে।

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক 'অসম গৌৰৱ' বঁটা

ডিব্ৰুগড় ঃ ২৩ জুন ঃ ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড শশীকান্ত শইকীয়াক গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ২০জুনত 'অসম গৌৰৱ' বঁটা প্ৰদান কৰা হয়। অসমৰ অন্যতম চৰকাৰী পঞ্জীয়নভুক্ত সংগঠন ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেশ্যনৰ উদ্যোগত সমাজ, শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অধ্যক্ষগৰাকীক এইবঁটা প্ৰদান কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাগ্মীবৰ নীলমণি ফুকন প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা ৰাজ্যিক ভিত্তিক ৰাভা দিৱসত এই সন্মান প্ৰদান কৰা হয়। সংগঠনৰ সভাপতি প্ৰদীপ ভট্টাচাৰ্য আৰু সম্পাদক মোহন দত্তৰ উপস্থিতিত অসমৰ জাতীয় সংগীতৰ অন্যতম গৱেষক ৰাজীৱ হৰি কৌশিক, বাণী ফুকনকে ধৰি বহু ব্যক্তিৰ উপস্থিতিত বঁটা প্ৰদান অনুষ্ঠানত সম্পাদক মোহন দত্তই কয় যে অধ্যক্ষ ড শশীকান্ত শইকীয়াই নিৰন্তৰে সমাজৰ সৰ্বতোপ্ৰকাৰ মংগলৰ বাবে কাম কৰি আহিছে। এই কৰ্মৰ স্বীকৃতি হিচাপে তেওঁক এই সন্মান দিবলৈ পাই আমি অশেষ ধন্য হৈছোঁ। অধ্যক্ষ ড শশীকান্ত শইকীয়াই অসমৰ বিভিন্ন দল-সংগঠনে অনেক সন্মান, বঁটা প্ৰদান কৰি অহাৰ লগতে ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতেৰে কৰ্মসূৰ্য বঁটা প্ৰদান কৰিছিল। ৪ জুনত নতুন দিল্লীত ভাৰত চৰকাৰৰ অনুমোদিত সংগঠন 'ৱৰ্ল্ড হিউমেন ৰাইটছ প্ৰটেক্‌শ্যন'ৰ উদ্যোগত অনুষ্ঠিত হোৱা বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অনুষ্ঠিত এক অনুষ্ঠানত শৈক্ষিক ক্ষেত্ৰখনত ব্যতিক্ৰমী ৰূপত দিয়া নেতৃত্বৰ বাবে অধ্যক্ষগৰাকীক 'এম্বেছেডৰ'ৰূপে প্ৰমাণ-পত্ৰ প্ৰদান কৰে।



### ৰাহুল গান্ধীৰ জন্মদিন পালন

তিনিচুকীয়া ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ জুন ঃ নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীৰ জন্মদিন উপলক্ষে তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত তথা তিনিচুকীয়া ব্লক কংগ্ৰেছৰ সহযোগত তিনিচুকীয়াস্থিত সূৰ্যোদয় মুক্ত আশ্ৰয়গৃহত থকা শিশুসকলক

## ধ্বস্ত পথে জলাকলা
## নিৰ্বিকাৰ জনপ্ৰতিনিধি

মাৰ্কিন

## ভাষণৰ
## বাৰ
## ৰ্শন মা

াত প্ৰথমবাৰ
নীতিৰ দেশ অ
চিৰেই আমি হ

ন, ২৩ জুন ঃ প্ৰধা মেৰিকাৰ সংসদ াষণ দিয়ে। উল্লে াৰ ভাষণ দিয়া প্ৰ

## ৰেত বি

াৰ

মহ